**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-07-2024
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

:::::::::::::::::::::::::::::::::::::

দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা ড'নাৰমন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি গুৱাহাটীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাত মিলিত হয়। ফোৰ জি তথা ফাইভ জি আৰু উচ্চ গতিসম্পন্ন ইণ্টাৰনেট সেৱা বৃদ্ধিৰে অসমত ডিজিটেল আন্তগাঠনি উন্নত কৰা, টেলিকম আন্তঃগাঁঠনি সেৱাৰ বাবে দক্ষ মানৱ সম্পদ বিকশিত কৰাৰ পথ প্ৰশস্তকৰণ, বানক্ষতিগ্ৰস্ত এলেকাত নেটৱৰ্ক ক্ষীপ্ৰতাৰে পুনঃসংযোগকৰণ নিশ্চিত কৰাৰ বাবে শেহতীয়া প্ৰযুক্তি গ্ৰহণকে ধৰি ভালেসংখ্যক গুৰুত্বপূৰ্ণ বিষয়ত মন্ত্ৰী দুগৰাকীয়ে আলোচনাত মিলিত হয়। ইয়াৰ উপৰিও উত্তৰ পূৱ পৰিষদৰ সৈতে উন্নত সমন্বয় আৰু ড'নাৰৰ দ্বাৰা অনুমোদিত আঁচনিসমূহৰ দ্ৰুত ৰূপায়নৰ বিষয়েও ড'নাৰমন্ত্ৰীগৰাকীয়ে আলোচনাত উল্লেখ কৰে।

০০০০

ৰাজ্যৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ সম্ভাব্য তালিকাত থকা চৰাইদেউ মৈদামক্ষেত্ৰ পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে, ভাৰত চৰকাৰে চলিত বৰ্ষত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে কেৱল আহোম ৰাজত্ব কালৰ গৌৰৱময় ঐতিহ্য বহনকাৰী চৰাইদেউ মৈদামকে মনোনীত কৰিছে। এই উদ্দেশ্যৰে অহা ২১ জুলাইৰ পৰা ৩১ জুলাইলৈকে নতুন দিল্লীত অনুষ্ঠিত হবলগীয়া ইউনেস্কোৰ বিশ্ব ঐতিহ্য সমিতিৰ ৪৪ সংখ্যক সন্মিলনত মনোনয়ন প্ৰেৰণ কৰা স্থানসমূহৰ বিষয়ে আলোচনা কৰা হ'ব। সন্মিলনৰ পূৰ্বে মৈদামক্ষেত্ৰ পৰিদৰ্শন কৰি মন্ত্ৰী শ্ৰীগাৰ্লোচাই সোণাৰী সমষ্টিৰ বিধায়ক  আৰু অসম প্ৰত্নতত্ব বিভাগৰ সঞ্চালককে ধৰি বিভাগীয় বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়।

০০০০

ৰাজ্যৰ শ্ৰমিক কল্যান মন্ত্ৰী সঞ্জয় কিশাণে আজি তিনিচুকীয়া পৌৰসভাৰ অন্তৰ্গত পুনৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা ২০ টাৰো অধিক পথৰ শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে আজি উদ্বোধন কৰা পথকেইটাৰ নিৰ্মাণৰ বাবে ২০২৩ বৰ্ষত আধাৰশিলা স্থাপন কৰা হৈছিল। ইয়াৰ লগতে অসম চৰকাৰ আৰু তিনিচুকীয়া পৌৰসভাৰ যৌথ উদ্যোগত নিৰ্মীয়মান ভালেসংখ্যক বাট পথ আৰু নলা নৰ্দমা নিৰ্মাণ কাৰ্যৰো মন্ত্ৰীগৰাকীয়ে পৰ্যবেক্ষণ কৰে। বিগত সময়ত তিনিচুকীয়া চহৰৰ আন্তঃগাথনিমূলক বিকাশ সুনিশ্চিত কৰিবলৈ তিনিচুকীয়া পৌৰসভাৰ দ্বাৰা ভালেমান উন্নয়নমূলক প্ৰকল্প হাতত লোৱা হৈছে।

০০০০

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও এতিয়াও ৰাজ্যৰ ২৪ খন জিলাৰ প্ৰায় ১৪ লাখ লোক বানৰ কবলত আছে। ব্ৰহ্মপুত্ৰ, বৰাককে ধৰি প্ৰধান প্ৰধান নদীসমূহৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৭৫টা ৰাজহ চক্ৰৰ দুহেজাৰ ৪০৬খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। শেহতীয়া বানত ৯০ জন লোকে প্ৰাণ হেৰুৱাৰ

তথ্য পোৱা গৈছে। ৰাজ্য চৰকাৰে স্থাপন কৰা ২৯৯টা আশ্ৰয় শিবিৰত ৪১ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

ইফালে বানত হোৱা ক্ষয়-ক্ষতিৰ সঠিক মূল্যায়ন হোৱাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰে অসমলৈ আৰ্থিক অনুদান প্ৰেৰণ কৰিব বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। বিভিন্ন জিলাত প্ৰশাসনে বানৰ ক্ষয়-ক্ষতি সন্দৰ্ভত পৰ্যালোচনা অব্যাহত ৰাখিছে। আজি ৰাজ্য চৰকাৰৰ প্ৰধান সচিব তথা লখিমপুৰ জিলাৰ অভিভাৱক সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত জিলাখনৰ আটাইকেইটা ৰাজহ চক্ৰৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া আৰু বিভিন্ন বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে। বৈঠকত জিলাখনৰ আয়ুক্তই বানত হোৱা ক্ষয়-ক্ষতিৰ খতিয়ান অভিভাৱক সচিবগৰাকীক দাঙি ধৰে। প্ৰধান সচিবগৰাকীয়ে লগতে জিলাখনৰ খেতি পথাৰ, পশুধন, মীন পালনৰ পুখুৰী আদিৰ ক্ষতিৰ বুজ লোৱাৰ উপৰি লোকনিৰ্মাণ পথ, এ পি ডি চি এলৰ মুৰব্বী বিষয়াসকলৰ সৈতে আলোচনা কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। এই বৈঠকত ঢকুৱাখনা মহকুমাৰ মহকুমাধিপতিয়ে বিভিন্ন অঞ্চলত বানৰ ফলত হোৱা ক্ষতি সম্পৰ্কে অভিভাৱক সচিবগৰাকীক অৱগত কৰে।

ইপিনে নগাঁও জিলাৰ কলিয়াবৰৰ বান পৰিস্থিতি এতিয়াও স্বাভাৱিক হোৱা নাই। যোৱা ২ জুলাইত হাতীমূৰাৰ শ্লুইছ গে'ট ভাঙি কলঙেৰে সোমাই অহা ব্ৰহ্মপুত্ৰৰ পানীয়ে কলিয়াবৰৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰিছিল। এইপৰ্যন্ত কলিয়াবৰৰ ৯৮খন গাঁৱৰ ৫৩ হাজাৰৰো অধিক লোক আৰু প্ৰায় ৩০ হাজাৰ হেক্টৰ কৃষি ভূমি ক্ষতিগ্ৰস্ত হৈছে। অঞ্চলটোত ৰবি শস্যৰ লগতে শালিধানৰ খেতি নষ্ট হোৱাত কৃষকৰ সমস্যাৰ সৃষ্টি হৈছে। আনহাতে গোলাঘাট জিলাৰ বংকোৱালত বানে ছিঙি নিয়া মথাউৰি নিৰ্মাণৰ কাম পূৰ্ণগতিত অব্যাহত আছে। সংশ্লিষ্ট বিভাগে ১৫ আগষ্টৰ ভিতৰত মথাউৰিৰ কাম সম্পূৰ্ণ কৰাৰ চেষ্টা চলাইছে। একেদৰে যাতায়াতৰ কেইবাটাও মূল পথ বানে খহাই নিয়াত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোলাঘাট জিলা প্ৰশাসনৰ বিষয়া বৰ্গৰ সৈতে বংকোৱাল গাঁৱত উপস্থিত হৈ ছিঙা মথাউৰি পৰিদৰ্শন কৰাৰ লগতে ৰাইজৰ অভাৱ-অভিযোগৰ বুজ লয়। মথাউৰিটো ছিগাৰ ফলত উত্তৰ মহুৰা আৰু দিচৈ গাঁও পঞ্চায়তৰ কমেও ২০ খন গাঁও প্লাৱিত হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, জলসম্পদ বিভাগে মথাউৰিটোৰ পুনৰ নিৰ্মাণৰ কাম দ্ৰুতগতিত অব্যাহত ৰাখিছে।

ইপিনে বান ক্ষতিগ্ৰস্ত বিভিন্ন অঞ্চলত জলজীৱন অভিযান অসমৰ আঁচনিসমূহ কাৰ্যক্ষম হৈ থকাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণে বিশুদ্ধ পানী লাভ কৰিবলৈ সমৰ্থ হৈছে। জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই বিষয়ে প্ৰকাশ কৰি কয় যে, দুৰ্যোগৰ সময়তো অভিযানৰ কৰ্মচাৰীসকলে জনসাধাৰণক খোৱাপানী যোগানৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এতিয়ালৈ ৰাজ্যখনৰ ৭ হাজাৰখন গাঁৱৰ ৫৭ লাখৰো অধিক গাঁৱৰ পৰিয়ালে এই অভিযানৰ অধীনত ঘৰতে নলযোগে খোৱাপানী লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ঠিকাভিত্তিক সম্পাদনা সহায়ক আৰু বাতৰি পৰিৱেশক তথা অনুবাদক পদত নিযুক্তিৰ বাবে কাইলৈ গুৱাহাটীৰ কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। মুঠ ১০০ নম্বৰৰ এই পৰীক্ষা দিনৰ ১১ বজাৰ পৰা ১ বজালৈকে অনুষ্ঠিত হ'ব।

পৰীক্ষাৰ্থীসকলক দিনৰ ১০ বজাত যাৱতীয় তথ্যপাতিৰ লগতে ফটো পৰিচয় পত্ৰসহ পৰীক্ষাস্থলীত উপস্থিত হ'বলৈ কোৱা হৈছে।

০০০০

সমাপ্ত